**NSD NEWS UNIT**
AKASHVANI GUWAHATI
0000000000

**Date : 16-10-2026**

**Time : 19-10 Hrs**
**ASSAMESE EVENING BULLETIN**

১। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ১৯ আৰু ২০ অক্টোবৰত মুম্বাইত সংযুক্ত আৰৱ-আমেৰি ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰী শ্বেখ আব্দুলা বিন-জায়েদ-আল নাহিয়ানৰ সৈতে বৈঠকত মিলিত হ'ব।

২। উলানবাটৰত আজি ভাৰত আৰু মংগোলীয়াৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ মাজত চৰ্তুদশ যুটীয়া কাৰ্যকৰী গোটৰ বৈঠক অনুষ্ঠিত হয়।

৩। শাৰদীয় দুৰ্গা পূজা উপলক্ষে অসমত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে।

৪। নতুন দিল্লীৰ কেইবাটাও ব্যৱসায়িক সন্থাই বৰ্তমানৰ প্ৰতিবাদৰ সময়ত প্ৰচুৰ বিত্তীয় লোকচানৰ সন্মুখীন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ জীৱনজীৱিকা সুৰক্ষিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি আহ্বান জনাইছে।

আৰু

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে টচত জিকি প্ৰথমে ফিল্ডিং কৰিছে।

০০০০০০০

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে ১৯ আৰু ২০ অক্টোবৰত মুম্বাইত সংযুক্ত আৰৱ-আমেৰি ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰী শ্বেখ আব্দুলা বিন-জায়েদ-আল নাহিয়ানৰ সৈতে বৈঠকত মিলিত হ'ব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে সংযুক্ত আৰৱ-আমেৰি ৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু সংযুক্ত আৰৱ আমেৰি ৰাষ্ট্ৰৰ উমৈহতীয়া কৌশলগত অংশীদাৰিত্বৰ অধীনত দুয়োখন দেশৰ মাজৰ দ্বিপাক্ষিক সহযোগিতাৰ সকলো বিষয় পৰ্যালোচনা কৰাৰ সুবিধা প্ৰদান কৰিব। দুয়োপক্ষই শক্তি, বাণিজ্য আৰু বিনিয়োগ, ফিনটেক, প্ৰতিৰক্ষা আৰু যোগাযোগ আদি পদক্ষেপসমূহৰ পৰ্যালোচনা কৰিব। বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কয়, যে বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড০ এছ্ জয়শংকৰে মুম্বাইত অহা ২০ অক্টোবৰত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰী মাৰ্ক ৰুবীঅ'ৰ সৈতে বৈঠকত মিলিত হ'ব। ড০ জয়শংকৰে লগতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ স্বাধীনতাৰ ২৫০ বছৰ উদযাপনৰ কাৰ্যসূচীত সন্মানীয় অতিথি হিচাপে উপস্থিত থাকিব। শ্ৰীজয়ছোৱালে কয়,যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ বৈদেশিক মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে ভাৰত আৰু

আমেৰিকাৰ মাজৰ সম্পৰ্ক পৰ্যালোচনা কৰাৰ সুবিধা প্ৰদান কৰিব আৰু উমৈহতীয়া গোলকীয় কৌশলগত অংশীদাৰিত্ব আৰু অধিক সুদৃঢ় কৰাৰ আলোচনাৰ পথ মুকলি কৰিব। তেওঁ লগতে কয়, যে দুয়োপক্ষই শক্তি, বাণিজ্য আৰু বিনিয়োগ, প্ৰতিৰক্ষা গুৰুত্বপূৰ্ণ আৰু উদ্ভাসিত প্ৰযুক্তিৰ লগতে আন পাৰস্পৰিক স্বাৰ্থজড়িত বিষয়সমূহ সন্দৰ্ভত আলোচনা কৰাৰ সম্ভাৱনা আছে। দুয়োপক্ষই লগতে আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভতো মত বিনিময় কৰিব।

০০০০০০০

উলানবাটাৰত আজি ভাৰত আৰু মংগোলীয়াৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ মাজত চৰ্তুদশ যুটীয়া কাৰ্যকৰী গোটৰ বৈঠক অনুষ্ঠিত হয়। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ যুটীয়া সচিব ড০ ইশিতা গাংগোলী ত্ৰিপাঠিয়ে মংগোলীয়াৰ প্ৰতিৰক্ষা উপ সচিব ব্ৰিগেডিয়াৰ জেনেৰেল গানসুখ ইৰ সৈতে এই বৈঠকত সহ অধ্যক্ষতা কৰে। আলোচনাকালত দুয়োপক্ষই বৰ্তমান অব্যাহত থকা দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা আৰু বৰ্তমানৰ আন পদক্ষেপসমূহৰ অগ্ৰগতিৰ সন্দৰ্ভত সবিশেষ আলোচনা কৰে। তেওঁলোকে লগতে পাৰস্পৰিক সহযোগিতা বৃদ্ধিৰ বাবে আন ক্ষেত্ৰসমূহো চিনাক্ত কৰে। দুয়োপক্ষই বহনক্ষম আলোচনা আৰু আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় বিষয় সন্দৰ্ভত মত বিনিময় কৰাৰ লগতে দীৰ্ঘদিনৰেপৰা অব্যাহত থকা সম্বন্ধ অধিক সুদৃঢ় কৰাৰ ওপৰত দৃঢ়তা প্ৰকাশ কৰে।

প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ে জানিবলৈ দিয়ে যে দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত প্ৰতিফলিত হোৱা হস্তী সামৰিক অনুশীলন সফলতাৰে সম্পন্ন হোৱাত সন্তুষ্টি প্ৰকাশ কৰে। মংগোলীয়া পক্ষই দেশখনৰ সামৰিক বাহিনীসমূহৰ বিষয়া জোৱানসকলৰ সামৰ্থ্য বৃদ্ধি আৰু প্ৰশিক্ষণৰ ক্ষেত্ৰত ভাৰতে সমৰ্থন আগবঢ়াই অহা কাৰ্যক কৃতজ্ঞতা প্ৰকাশ কৰে। ভাৰতৰ প্ৰতিৰক্ষা মন্ত্ৰ্যালয়ৰ যুটীয়া সচিব ড০ ইশিতা গাংগোলী ত্ৰিপাঠিয়ে লগতে মংগোলীয়া সামৰিক বাহিনীসমূহৰ উপ মুৰববী মেজৰ জেনেৰেল উসুখবায়াৰ জেক সাক্ষাৎ কৰে। ভাৰতীয় প্ৰতিনিধিসকলে লগতে দেশখনৰ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা বিশ্ববিদ্যালয় পৰিদৰ্শন কৰি ভাৰতৰ সাহায্যত তাত স্থাপন কৰা চাইবাৰ সুৰক্ষা প্ৰশিক্ষণ কেন্দ্ৰ কাৰ্যক্ষম কৰাৰ সন্দৰ্ভত সবিশেষ বুজ লয়।

০০০০০০০

পি এম সেঁতুৰ ৰাষ্ট্ৰীয় সঞ্চালন সমিতিৰ এম এছ চিৰ ষষ্ঠখন বৈঠকত আজি পাঁচখন ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ বাবে এহেজাৰ ১৯৪ কোটি টকা বিনিয়োগৰ পৰিকল্পনা কৰা হৈছে। মহাৰাষ্ট্ৰ, ওড়িশা, জম্মু আৰু কাশ্মীৰৰ এই ঔদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান কেইখনৰ বাবে দক্ষতা বিকাশ আৰু ঔদ্যোগিক মন্ত্ৰ্যালয় এম এছ ডি ই এ শেহতীয়াকৈ পি এম সেঁতুৰ অধীনত ৩ হাজাৰ ৬৮৭কোটি টকা বিনিয়োগৰ পৰিকল্পনাক অনুমোদন জনাইছে। এই সন্দৰ্ভত এম এছ ডি ই-ৰ সচিব দেৱশ্ৰী মুখাৰ্জীয়ে কয়, যে এই অনুমোদিত ধনেৰে আই টি আই সমূহ শক্তিশালী কৰাৰ লগতে প্ৰশিক্ষণৰ গুণগত মান উন্নত হোৱা আৰু ঔদ্যোগিক অংশগ্ৰহণ বৃদ্ধি হোৱাৰ সুবিধা লাভ কৰিব। তেওঁ কয়, যে জম্মু আৰু কাশ্মীৰৰ অগ্ৰগতি উৎসাহজনক হৈছে আৰু এই ক্ষেত্ৰখনত যুৱ সমাজৰ দক্ষতা বিকাশ শক্তিশালী কৰা আৰু বিকাশৰ উদ্দেশ্যে সুবিধা বৃদ্ধিৰ প্ৰতিশ্ৰুতিবদ্ধতা প্ৰতিফলিত কৰিছে। শ্ৰীমতী মুখাৰ্জীয়ে লগতে প্ৰশিক্ষণৰ মান উন্নত কৰা আৰু যুৱপ্ৰজন্মক দক্ষতাৰে সমৃদ্ধ কৰা ব্যৱস্থাই নিয়োগৰ যথেষ্ট সুবিধা কঢ়িয়াই আনিব বুলিও মন্তব্য কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাষ্ট্ৰীয় সুৰক্ষা কৰ্মী-এন এছ জিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে এন এছ জিৰ জোৱানসকল সাহস, দক্ষতা আৰু কৰ্তব্যনিষ্ঠাৰ প্ৰতীক। তেওঁ লগতে কয়, যে এন এছ জিৰ জোৱানসকলে সন্ত্ৰাসবাদৰ বিৰুদ্ধে নিজৰ কৰ্তব্য সমাপন কৰাৰ লগতে জনসাধাৰণক সুৰক্ষা দিবলৈ সাজু হৈ থাকে। এই জোৱানসকলে দেশৰ গৌৰৱময় ৰাষ্ট্ৰীয় সম্পদসমূহ ৰক্ষণাবেক্ষণ দি আহিছে।

0000000

শাৰদীয় দুৰ্গা পূজা উপলক্ষে অসমত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰিছে। ষষ্ঠীৰ বেদীত আজি দেৱী দুৰ্গাৰ প্ৰাণ প্ৰতিষ্ঠাৰ লগে লগে এই বছৰৰ শাৰদীয় দুৰ্গোৎসৱ আৰম্ভ হৈছে। বিশ্বাস অনুসৰি এইবাৰ দেৱী দুৰ্গাৰ ঘোঁৰাত আগমন ঘটিছে আৰু নাৱত গমন হ'ব। নৱৰাত্ৰিৰ ষষ্ঠ দিনটোত দেৱী দুৰ্গাক কাত্যায়নী ৰূপত পূজা কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই উপলক্ষে দেশবাসীক ওলগ জনাইছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমৰ এটা বাৰ্তাত কয়, যে দেৱীৰ আশীৰ্বাদে যেন সকলোৰে জীৱনলৈ অপাৰ শক্তি, সাহস আৰু ইতিবাচক শক্তিৰ বতৰা কঢ়িয়াই আনে।

ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই দুৰ্গা পূজা উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জনাইছে। এটা বাৰ্তাত ৰাজ্যপালগৰাকীয়ে কয়, যে দুৰ্গা পূজাই অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ জয়ৰ চিৰন্তন সাৰমৰ্মক চিহ্নিত কৰে।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাইও শাৰদীয় দুৰ্গোৎসৱ উপলক্ষে জনসাধাৰণক শুভেচ্ছা জ্ঞাপন কৰিছে। মুখ্যমন্ত্ৰীয়ে এই পৱিত্ৰ ক্ষণত সমূহ ৰাজ্যবাসীৰ মংগল কামনাৰে দুৰ্গতিনাশিনী দেৱী দুৰ্গাৰ শ্ৰীচৰণত প্ৰণিপাত জনাই প্ৰতিগৰাকী লোকৰ জীৱনলৈ নতুন আশা, শক্তি আৰু আনন্দৰ বতৰা কঢ়িয়াই আনিব বুলি কামনা কৰে।

0000000

নতুন দিল্লীৰ কেইবাটাও ব্যৱসায়িক সন্থাই বৰ্তমানৰ প্ৰতিবাদৰ সময়ত প্ৰচুৰ বিত্তীয় লোকচানৰ সন্মুখীন হোৱাৰ প্ৰতি লক্ষ্য ৰাখি তেওঁলোকৰ জীৱনজীৱিকা সুৰক্ষিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰতি আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীলৈ লিখা এখন যুটীয়া পত্ৰত ব্যৱসায়িক সন্থাসমূহে এই বুলি উল্লেখ কৰিছে যে চলিত মাহৰ ১০ তাৰিখে জনোৱা প্ৰতিবাদৰ আহ্বানৰ ফলত পৰিৱেশ পৰিস্থিতিৰ প্ৰতি লক্ষ্যৰাখি নতুন দিল্লীৰ কেইবাটাও গুৰুত্বপূৰ্ণ ব্যৱসায়িক অঞ্চললৈ প্ৰতিবাদৰ আগে-পাছে কমেও চাৰি-পাঁচদিন গ্ৰাহকৰ সংখ্যা কমি যোৱাৰ ফলত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহ লোকচানৰ সন্মুখীন হয়। বৰ্তমানৰ উৎসৱমুখৰ পৰিৱেশৰ মাজতে ব্যৱসায়িক সন্থাসমূহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় চৰকাৰ আৰু ন্যায়পালিকাক দিল্লীৰ গুৰুত্বপূৰ্ণ ব্যৱসায়িক অঞ্চলসমূহৰ তথা জনসাধাৰণৰ সুৰক্ষা আৰু স্থানীয় অৰ্থনীতি বৰ্তাই ৰখাৰ ক্ষেত্ৰত তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ সকলোধৰণৰ প্ৰতিবাদ আৰু প্ৰতিবাদী সমদল ৰোধ কৰিবলৈ আহ্বান জনায়। তেওঁলোকে লগতে বিত্তীয় লোকচানৰ মূল্যায়ন কৰাৰ লগতে প্ৰতিবাদী সংস্থাসমূহৰ পৰা প্ৰত্যক্ষভাৱে ইয়াৰ ক্ষতিপূৰণ আদায় কৰিবলৈ আহ্বান জনায়।

0000000

আমেৰিকা যুক্তৰাষ্ট্ৰৰ অৰেগনৰ এখন প্ৰাথমিক বিদ্যালয়ত হোৱা গুলীয়াগুলিত ৩জন ছাত্ৰৰ লগতে এজন শিক্ষক নিহত হয়। আৰক্ষী সূত্ৰই জানিবলৈ দিছে যে আজি বিয়লি ভাগত এজন ১৬ বছৰীয়া

আক্ৰমণকাৰীয়ে বিদ্যালয়খনত বলপূৰ্বকভাৱে প্ৰৱেশ কৰি এই ঘটনা সংঘটিত কৰে। পাছত সুৰক্ষা কৰ্মীয়ে আক্ৰমণকাৰীজনক গুলীয়াই নিহত কৰে।

০০০০০০০

বিধিবলৱৎকাৰী সঞ্চালকালয়ে আজি **আৰ এম ড্ৰিপ** আৰু স্প্ৰিংকলাৰ্ছ চিষ্টেমছ লিমিটেড আদিকে ধৰি আন তালিকাভুক্ত কোম্পানীৰ শ্বেয়াৰৰ বেমেজালি কৰাৰ অভিযোগৰ গোচৰত ছখন মহানগৰৰ ২৯টা স্থানত তালাচি চলায়। অভিযানকাৰী দলে  মুম্বাই, নাচিক, আহমেদাবাদ, গান্ধীনগৰ, চুৰাট আৰু ভাবনগৰত এই অভিযান চলায়। বিধিবলৱৎকাৰী সঞ্চালকালয়ৰ সূত্ৰ অনুসৰি ২০২৩ বৰ্ষৰ এপ্ৰিল আৰু ২০২৪ৰ মাৰ্চৰ ভিতৰত নিৰ্বাচিত ব্যক্তি আৰু প্ৰতিষ্ঠানৰ মাজত দুটা কোম্পানীৰ ৩ কোটি ৫০ লাখৰো অধিক শ্বেয়াৰ বদলিৰ ৱাৰেণ্ট জাৰি কৰিছিল।

০০০০০০০

ভাৰত আৰু জিম্বাব'ৱেৰ মহিলা ক্ৰিকেট দলৰ মাজৰ তিনিখনীয়া টী-২০ শৃংখলাৰ প্ৰথমখন খেল আজি ৰায়পুৰৰ ছহিদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। ভাৰতে টচত জিকি প্ৰথমে ফিল্ডিং কৰাৰ সিদ্ধান্ত লৈছে।
শৃংখলাৰ পৰৱৰ্তী খেল দুখন ১৮ আৰু ২০ অক্টোবৰত একে স্থানতে অনুষ্ঠিত হ'ব। শৃংখলাৰ তিনিওখন খেল মহিলা দৰ্শকৰ বাবে সম্পূৰ্ণ বিনামূলীয়া হ'ব।

০০০০০০০

সমাপ্ত